# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-11-2025
**Time :** 17-15 Hrs

### ASSAMESE EVEN BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ৰঙিয়াত কেইবাটাও অনুষ্ঠান উদ্বোধন কৰা লগতে মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰঙিয়াৰ লোকনিৰ্মাণ বিভাগৰ নৱনিৰ্মিত কাৰ্যালয় আৰু অতিথিশালা মুকলি কৰাৰ লগতে নতুনকৈ সাজি উলিওৱা ক্লক টাৱাৰো উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণ কৰে। আজি এই আঁচনিৰ জৰিয়তে প্ৰায় ৩৩ হাজাৰ মহিলাক ১০ হাজাৰ টকাৰ চেক বিতৰণ কৰা হয়। অহা জানুৱাৰী মাহৰ ভিতৰত এই আঁচনিত ৩২ লাখ মহিলাক অন্তৰ্ভুক্ত কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আজি জানিবলৈ দিয়ে। ২০২৬ চনত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বিষয়ে মন্তব্য কৰি তেওঁ কয়, যে বিধানসভা নিৰ্বাচনত ১২৬টা সমষ্টিত বিজেপিয়ে প্ৰাৰ্থিত্ব দিয়াৰ সম্ভাৱনা আছে। নৱ প্ৰজন্মক প্ৰাৰ্থিত্ব দিয়াৰ সন্দৰ্ভত সমষ্টিবাসীৰ সিদ্ধান্তই চূড়ান্ত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত জানিবলৈ দিয়ে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰ জিলাৰ ক্ষেত্ৰীত আজি ইজৰাইলৰ ৰাষ্ট্ৰদূত ৰিঅ'ভেন আজাৰৰ উপস্থিতিত **ইণ্ডো-ইজৰাইল চেণ্টাৰ অব এক্সেলেন্স ফৰ ভিজিটেবল্ছ** শীৰ্ষক কেন্দ্ৰটো উদ্বোধন কৰে। ভাৰত আৰু ইজৰাইলৰ মাজত সৌহাৰ্দপূৰ্ণ সম্পৰ্ক আছে আৰু ইয়াৰ পৰা অসমেও লাভান্বিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত উল্লেখ কৰে। আজিৰ দিনটো অসমৰ কৃষি ক্ষেত্ৰত মাইলৰ খুটি বুলি মুখ্যমন্ত্ৰীয়ে অভিহিত কৰে। তেওঁ কয় যে ইজৰাইলৰ সৈতে সহযোগিতাৰে আৰম্ভ কৰিবলৈ লোৱা এই কেন্দ্ৰটোৱে অসমৰ কৃষিক্ষেত্ৰক বিশেষভাৱে শক্তিশালী কৰাত সহায় কৰিব। তেওঁ ইজৰাইলৰ দূতাবাস আৰু কেন্দ্ৰীয় চৰকাৰৰ বিষয়ববীয়াৰ লগতে ৰাজ্য চৰকাৰৰ কৃষি আৰু উদ্যান শস্য বিভাগকো ধন্যবাদ জ্ঞাপন কৰে।

বাইট

উল্লেখযোগ্য যে অসম ৰাজ্যিক উদ্যান শস্য অভিযানৰ অধীনত ভাৰত-ইজৰাইল কৃষি প্ৰকল্প অৰ্থাৎ আই আই এ পিৰ অংশীদাৰিত্বৰে এই কেন্দ্ৰটো স্থাপন কৰা হৈছে। অত্যাধুনিক প্ৰযুক্তিৰ সুবিধাৰে সুসজ্জিত এই কেন্দ্ৰটোৰ জৰিয়তে বাণিজ্যিক মূল্য থকা শস্যৰ উৎপাদনত গুৰুত্ব আৰোপ কৰা হৈছে। তদুপৰি বছৰজোৰা খেতিৰ বাবে কৌশলগত পৰিকল্পনাৰে কৃষকসকলক উপকৃত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০

ভাৰতীয় চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা, প্ৰযোজক তথা প্ৰাক্তন সাংসদ ধৰ্মেন্দ্ৰৰ আজি মুম্বাইত দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা অভিনেতাগৰাকীক ১২ দিন পূৰ্বে চিকিৎসালয়ৰ পৰা অব্যাহতি দিয়া হৈছিল। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৮৯ বছৰ। ভাৰতীয় চলচ্চিত্ৰ ইতিহাসৰ সুদৰ্শন, সফল তাৰকা হিচাপে পৰিচিত ধৰ্মেন্দ্ৰই প্ৰায় ৬৫ বছৰীয়া অভিনয় জীৱনত কমেও ৩০০ খন চলচ্চিত্ৰত অভিনয় কৰে। ১৯৬০ চনত দিলভি তেৰা হামভি তেৰে শীৰ্ষক চলচ্চিত্ৰৰে হিন্দী চলচ্চিত্ৰ জগতত অভিষেক ঘটা ধৰ্মেন্দ্ৰই পৰৱৰ্তী চলচ্চিত্ৰ আয়ে মিলন কি বেলা, ফুল অৰ পাথ্থৰ, আয়ে দিন বাহাৰ কে আদিৰ জৰিয়তে অনুৰাগীসকলৰ বিপুল প্ৰশংসা লাভ কৰে। ষষ্ঠ আৰু অষ্টম দশকত কেইবাখনো চলচ্চিত্ৰত অভিনয়ৰে দৰ্শকক মোহাচন্ন কৰা অভিনেতাগৰাকীয়ে নৱম দশকৰ পৰা চৰিত্ৰ অভিনয় কৰিবলৈ আৰম্ভ কৰে। ২০১২ চনত পদ্মভূষণ সন্মানেৰে সন্মানিত ধৰ্মেন্দ্ৰই চলচিত্ৰত কৰা অভিনয়ৰ বাবে কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে। ৰাজস্থানৰ বিকানেৰ সমষ্টিৰ প্ৰতিনিধিত্ব কৰি ভাৰতীয় জনতা পাৰ্টীৰ পৰা ২০০৪ চনত তেওঁ সাংসদ হিচাপে নিৰ্বাচিত হৈছিল। ধৰ্মেন্দ্ৰৰ বিয়োগত দেশৰ অগনন অনুৰাগীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অভিনেতা তথা প্ৰাক্তন সাংসদগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰি দিয়া বাৰ্তাত কয়, যে তেওঁৰ বিয়োগ ভাৰতীয় চলচ্চিত্ৰ জগতৰ বাবে অপূৰণীয় ক্ষতি। নিজৰ অনবদ্য অভিনয়েৰে তেওঁ অগণন অনুৰাগী আৰু উদীয়মান শিল্পীক অনুপ্ৰাণিত কৰি গৈছে  বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধৰ্মেন্দ্ৰৰ বিয়োগে ভাৰতীয় চলচ্চিত্ৰৰ এটা যুগৰ সমাপ্তি ঘটাইছে বুলি মন্তব্য কৰে। এগৰাকী অভিনেতা, সাংসদ আৰু সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী হিচাপে তেওঁক জনসাধাৰণে সদায় মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে।

০০০০

আজি লাচিত দিৱস। শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে পৰাক্ৰমেৰে যুঁজি অসম আৰু অসমীয়া জাতিক ৰক্ষা কৰা বীৰ লাচিত বৰফুকনক সুঁৱৰি প্ৰতিবছৰে ২৪ নৱেম্বৰত তেওঁৰ জয়ন্তী লাচিত দিৱস হিচাপে পালন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তীত ৰাজ্যবাসীলৈ ওলগ জনাইছে। এই উপলক্ষে ৰাজ্য চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু যোৰহাট জিলা প্ৰশাসনৰ সহযোগত কেন্দ্ৰীয়ভাৱে 'বীৰ লাচিত দিৱস' পালন কৰা হয়। যোৰহাট জিলাৰ হোলোঙাপাৰৰ লাচিত মৈদামত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই বীৰ পুৰুষ লাচিত বৰফুকনৰ নেতৃত্ব আৰু শৌৰ্যই অসমৰ স্বতন্ত্ৰতা অক্ষুণ্ণ ৰাখিছিল বুলি মন্তব্য কৰে। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আৰু ৰূপজ্যোতি কুৰ্মীও আজিৰ অনুষ্ঠানত উপস্থিত থাকে।

গুৱাহাটী মহানগৰীৰ লাচিত ঘাটত লাচিত সেনাৰ উদ্যোগত আজি লাচিত দিৱস উদযাপন কৰা হয়। শৰাইঘাটৰ যুদ্ধৰ স্মৃতি সুঁৱৰি লাচিতঘাটৰ পৰা আগিয়াঠুৰিলৈ এটা নৌকাযাত্ৰা উলিওৱা হয়। আগিয়াঠুৰিত বন্তি প্ৰজ্বলেনেৰে জাতীয় বীৰজনক শ্ৰদ্ধাঞ্জলি যঁচা হয়।

ধেমাজি, জামুগুৰিহাট আৰু শিৱসাগৰতো লাচিত দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। শিৱসাগৰত এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। শোণিতপুৰ

জিলাৰ জামুগুৰিহাটত লাচিত দিৱস উপলক্ষে ৯০ ফুট দৈৰ্ঘ্যৰ এখন প্ৰতীকি নাৱৰে শোভাযাত্ৰা উলিওৱা হয়। ধেমাজিতো টাই-আহোম ছাত্ৰৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচীৰে বীৰ পুৰুষজনাৰ ৪০৩ সংখ্যক জয়ন্তী উদযাপন কৰা হয়।

০০০০

সমাপ্ত